# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 29-04-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

অহা ২ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। নিৰ্বাচন উপলক্ষে বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ৰঙিয়া আৰু দৰঙত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ সৰ্বাঙ্গীন কল্যানৰ বাবে বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী জয়ী কৰাবলৈ জনসাধাৰণক আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাৰ্ঘেৰিটাৰ নগাপথাৰ ৰংগমঞ্চত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিয়ে। এই সভাত স্থানীয় বিধায় ভাস্কৰ শৰ্মাৰ লগতে দলৰ কেইবাগৰাকী শীৰ্ষ নেতাই অংশগ্ৰহণ কৰে।

মন্ত্ৰী কেশৱ মহন্তই আজি বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ লাঠিৰঘাট ৰাণীবাৰী গাঁৱত লক্ষীৰ বাজাৰ জিলা পৰিষদৰ মিত্ৰজোটৰ প্ৰাৰ্থী গৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই সভাত সাংসদ মিচন ৰঞ্জন দাসেও অংশ লয়। মন্ত্ৰ মহন্তই আজি জিলাখনৰ নিলাম বজাৰ আৰু কাছাৰ জিলাৰ শ্ৰীকোণাত নিৰ্বাচন প্ৰচাৰ সভাত অংশ লয়। অসম গণ পৰিষদৰ নেতা তথা মন্ত্ৰী অতুল বৰাই আজি বোকাখাটৰ গৰিয়াজান বাগিচা, ৰঙামাটি চেউনি কমাৰগাওঁকে ধৰি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ইপিনে, বিৰোধী দল কংগ্ৰেছেও ৰাজ্যৰ বিভিন্ন প্ৰান্ত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি জহিন চাহ বাগিছাত জনসাধাৰণক সম্বোধি প্ৰচাৰ সভাত ভাষণ দিয়ে। শ্ৰীবৰাই আজি এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ চৰকাৰৰ দিনত মহিলাসকলে চাকৰি লাভ কৰা সন্দৰ্ভত অপ্ৰীতিকৰ মন্তব্য কৰা বুলি অভিযোগ তোলে। দলৰ নেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়েও আজি সামাজিক মাধ্যমযোগে অভিযোগ তোলে। কংগ্ৰেছ দলৰ নেতা ৰিপুণ বৰাই আজি গহপুৰ বিধানসভা সমষ্টিৰ ৰজাবাৰী ৰংগমঞ্চত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক মনোজ চৌহান আৰু অসম প্ৰদেশ কংগ্ৰেছ মহিলা সমিতিৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ উপৰি বিশ্বনাথ জিলাৰ দলীয় নেতৃবৰ্গ উপস্থিত থাকে। অসম জাতীয় পৰিষদ দলৰ হৈ আজি দলৰ নেতা লুৰিণজ্যোতি গগৈয়ে বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। প্ৰচাৰ সভাত দিয়া ভাষণত শ্ৰীগগৈয়ে শাসনাধিস্থিত বিজেপি চৰকাৰক সমালোচনা কৰে। ০০০০

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। শিক্ষাৰ্থীসকলে কাইলৈ পুৱা ৯ বজাৰ পৰা নিৰ্দিষ্ট ৱেবছাইটৰ জৰিয়তে তেওঁলোকৰ মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তেওঁলোকে মোবাইল এপৰ জৰিয়তেও মাৰ্কশ্বিটসমূহ চাব পাৰিব। www.ahsec.assam.gov.in, www.assamresult.in, www.result.shiksha, www.schools9.com, assamjobalerts.com আদিকে ধৰি মুঠ ১২টা ৱেবছাইটত শিক্ষাৰ্থীসকলে নিজৰ ৰোল, নম্বৰ আৰু ৰেজিষ্ট্ৰেচন নম্বৰ দি মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তদুপৰি এণ্ড্ৰইড মোবাইলত **উপলব্ধ** এপ ডাউনল'ড কৰি ফলাফল লাভ কৰিব পাৰিব। বিদ্যালয়ৰ শিক্ষা পৰিষদৰ দুই নম্বৰ সংমগুলে প্ৰকাশ কৰা জাননী অনুসৰি উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ ছপা মাৰ্কশ্বিট আৰু প্ৰমাণপত্ৰ পৰৱৰ্তী সময়ত প্ৰদান কৰা হ'ব। পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলক ছপা মাৰ্কশ্বিট প্ৰদান কৰা নহয়। অৱশ্যে অনুত্তীৰ্ণ হোৱা কোনো শিক্ষাৰ্থীয়ে ছপা মাৰ্কশ্বিট ল'ব বিচাৰিলে পৰিষদৰ কাৰ্যালয়ত পৃথকভাৱে আবেদন কৰিব লাগিব। কোনো পৰিক্ষাৰ্থীয়ে উত্তৰবহী পুনৰ নিৰীক্ষণৰ লগতে উত্তৰবহীৰ প্ৰতিলিপি বিচাৰিলে বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইটৰ জৰিয়তে আবেদন কৰিব পাৰিব। ফলাফল ঘোষণা কৰাৰ দুদিনৰ পাছত প'ৰ্টেল লিংক মুকলি কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মুঠ ৩ লাখ ২ হাজাৰ ৪২০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

০০০০০

চিৰাং জিলাৰ বিজনী চহৰৰ নিকটৱৰ্তী হাৱাৰগাঁৱত থকা নৰ্থ-ইষ্ট মিলিটেৰী স্কুলখন এতিয়াৰে পৰা সৈনিক স্কুল ছ'চাইটিৰ অধীনত পৰিচালিত হ'ব। গৃহ মন্ত্ৰালয়ৰ অধীনৰ সৈনিক স্কুল ছ'চাইটিয়ে শেহতীয়াভাৱে ঘোষণা কৰা দেশৰ এশখন সৈনিক স্কুলৰ ভিতৰত চিৰাঙৰ নৰ্থ-ইষ্ট মিলিটেৰী স্কুলখনেও স্বীকৃতি লাভ কৰিছিল। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ ৰতন কুমাৰ ৰয়ে আজি বিজনী মহাবিদ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত এই কথা উল্লেখ কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনায়। অসমৰ নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তেওঁলোকক একোজন সুনাগৰিক হিচাপে গঢ়ি তুলি দেশৰ সেৱাত ব্ৰতি কৰাৰ উদ্দেশ্যে ২০১৯ চনত স্থাপন কৰা নৰ্থ-ইষ্ট মিলিটেৰী স্কুলৰ সৈনিক স্কুল হিচাপে লাভ কৰা স্বীকৃতিক লৈ বিদ্যালয় পৰিচালনা সমিতিয়ে আনন্দ প্ৰকাশ কৰে।

০০০০০

ওদালগুৰি জিলাৰ মাজুলী চাহ বাগিচাত কালি বনৰীয়া হাতীৰ আক্ৰমণত এজন শ্ৰমিকৰ মৃত্যু হয়। চাহ বাগিচাখনৰ ৩৭ নম্বৰ শাখাত চাহপাত সংগ্ৰহ কৰি থকা অৱস্থাত শ্ৰমিকজনক বনৰীয়া হাতীয়ে আক্ৰমণ কৰে। মৃত্যু হোৱা শ্ৰমিকজন ভূটীয়া কৰ্মকাৰ বুলি চিনাক্ত কৰা হৈছে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**